দেশ

পাকিস্তানী মন্ত্রীক বিৰিয়ানী-কাবাব খুওৱাক লৈ কেন্দ্রীয় চৰকাৰক সমালোচনা সুপ্রিয়া শ্রীনাটেৰ

ভাৰতত অনুষ্ঠিত এছচিঅ’ৰ অনুষ্ঠানত পাকিস্তানী মন্ত্রীক আমন্ত্রণ জনাই আপ্যায়ন কৰাক লৈ কেন্দ্রীয় চৰকাৰক সমালোচনা কৰিলে কংগ্রেছ নেত্রী সুপ্রিয়া শ্রীনাটেই।

প্রকাশ: ২২ নৱেম্বৰ ২০২৬, পুৱা ১১:১২



Supriya Shrinate

নতুন দিল্লী: ভাৰতত অনুষ্ঠিত ছাংহাই ক’অপাৰেচন অর্গেনাইজেশ্বন চমুকৈ এছচিঅ’ৰ ‘চিভিলাইজেচনেল ডায়লগ’ শীর্ষক অনুষ্ঠানত পাকিস্তানৰ এগৰাকী মন্ত্রীক আমন্ত্রণ জনোৱাক লৈ কেন্দ্রীয় চৰকাৰক তীব্র সমালোচনা কৰিছে কংগ্রেছ নেত্রী সুপ্রিয়া শ্রীনাটেই। প্রধানমন্ত্রী নৰেন্দ্র মোদী নেতৃত্বাধীন কেন্দ্রীয় চৰকাৰৰ এই সিদ্ধান্তক লৈ তেওঁ প্রশ্ন উত্থাপন কৰে।

© 2026 NewzNow

কংগ্রেছ নেত্রীগৰাকীয়ে অভিযোগ কৰি কয় যে পাকিস্তানী মন্ত্রীগৰাকীক ভাৰতত বিৰিয়ানী, কাবাব আৰু পায়সেৰে আপ্যায়ন কৰা হৈছে। ইয়াৰ উপৰি মন্ত্রীগৰাকীক বজাৰ কৰিবলৈ লৈ যোৱাৰ লগতে তাজমহলো দেখুওৱা হৈছে বুলি তেওঁ উল্লেখ কৰে।

উক্ত পাকিস্তানী মন্ত্রীগৰাকীয়ে পূৰ্বে ভাৰতৰ বিৰুদ্ধে ভাবুকিপূৰ্ণ মন্তব্য কৰিছিল বুলি সোঁৱৰাই দি এনে আপ্যায়নৰ যুক্তিযুক্ততাক লৈ সুপ্রিয়া শ্রীনাটেই প্রশ্ন উত্থাপন কৰে।

পহলগাম, কুলগাম আৰু কিষ্টৱাৰত শেহতীয়াকৈ সংঘটিত সন্ত্রাসবাদী আক্রমণৰ প্রসংগ টানি আনি তেওঁ চৰকাৰৰ স্থিতিক লৈ অসন্তুষ্টি ব্যক্ত কৰে। পাকিস্তানে সন্ত্রাসবাদক সমর্থন দিয়া বন্ধ নকৰালৈকে দেশখনৰ সৈতে কোনো ধৰণৰ আলোচনা হ’ব নালাগে বুলি কংগ্রেছ নেত্রীগৰাকীয়ে মত প্রকাশ কৰে।

এই বিষয়ত লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ স্থিতিৰ কথা উল্লেখ কৰি তেওঁ কয় যে পাকিস্তানৰ সৈতে যিকোনো আলোচনাৰ পূৰ্বে সন্ত্রাসবাদৰ প্রশ্নত স্পষ্ট স্থিতি গ্রহণ কৰিব লাগিব।

ভাৰতত অনুষ্ঠিত এছচিঅ’ৰ এই অনুষ্ঠানত পাকিস্তানৰ মন্ত্রীৰ অংশগ্রহণক লৈ এতিয়া ৰাজনৈতিক মহলত তীব্র চর্চা তথা বিতর্কৰ সৃষ্টি হৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5139/supriya-srinate-slams-centre-pakistani-minister-visit